**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-11-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহনে অসম আৰু মেঘালয়ৰ মাজত চলি থকা দীৰ্ঘদিনীয়া সীমা বিবাদৰ সমাধান সূত্ৰ বিচাৰি আজি গুৱাহাটীত এখন উচ্চস্তৰীয় বৈঠকত অংশ লয়।

২। নীতি আয়োগে জল ব্যৱস্থাপনা, সংৰক্ষণ আৰু বহনক্ষমতা সন্দৰ্ভত সজাগতা সৃষ্টিৰ উদ্দেশ্যে আজি ১৫ দিনীয়া জল উৎসৱ আৰম্ভ কৰিছে।

৩। আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে দেশখনৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত শেহতীয়া ফলাফল অনুসৰি ২৬৭ টা ইলেক্টৰেল ভোটেৰে অগ্ৰগতি লাভ কৰিছে।

৪। লোক সংগীতৰ জনপ্ৰিয় গায়িকা সাৰদা সিনহাৰ অন্ত্যেষ্টিক্ৰিয়া কাইলৈ বিহাৰৰ পাটনাত সম্পূৰ্ণ চৰকাৰী মৰ্যাদাৰে সম্পন্ন কৰা হ'ব।

আৰু

৫। ইণ্ডিয়ান প্ৰীমিয়াৰ লীগ, আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ২০২৫ বৰ্ষৰ সংস্কৰণৰ বাবে অহা ২৪ আৰু ২৫ নৱেম্বৰক চৌদি আৰবত নীলাম প্ৰক্ৰিয়া অনুষ্ঠিত হ'ব।

0000000

কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহনে অসম আৰু মেঘালয়ৰ মাজত চলি থকা দীৰ্ঘদিনীয়া সীমা বিবাদৰ সমাধান সূত্ৰ বিচাৰি আজি গুৱাহাটীত এখন উচ্চস্তৰীয় বৈঠকত অংশ লয়। বৈঠকত দুয়োখন ৰাজ্যৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। আকাশবাণীৰ সংবাদদাতাই জনোৱা অনুসৰি আজিৰ এই বৈঠকখনে দীৰ্ঘদিনৰ পৰা কেন্দ্ৰ আৰু অসম চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ সীমা সমস্যা সমাধানৰ প্ৰক্ৰিয়াক নতুন গতি প্ৰদান কৰিছে। এই বৈঠকৰ ঠিক পাছতে শ্ৰী মোহন অসম আৰু অৰুণাচল প্ৰদেশৰ মুখ্য সচিবৰ সৈতে ৰাজ্য দুখনৰ সীমা সমস্যা সমাধানৰ উদ্দেশ্যে আন এখন বৈঠকত মিলিত হৈছে।

00000000

সংসদৰ শীতকালীন অধিবেশন অহা ২৫ নৱেম্বৰত আৰম্ভ হ'ব। ২০ ডিচেম্বৰত এই অধিবেশনৰ সামৰণি পৰিব। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে সামাজিক মাধ্যমযোগে জনাইছে যে অহা ২৬ নৱেম্বৰত সংবিধান সদনৰ কেন্দ্ৰীয় কক্ষত সংবিধান গ্ৰহণৰ ৭৫ সংখ্যক জয়ন্তী উদ্‌যাপন কৰা হ'ব।

0000

নীতি আয়োগে জল ব্যৱস্থাপনা, সংৰক্ষণ আৰু বহনক্ষমতা সন্দৰ্ভত সজাগতা সৃষ্টিৰ উদ্দেশ্যে আজি ১৫ দিনীয়া জল উৎসৱ আৰম্ভ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা বছৰ ডিচেম্বৰত অনুষ্ঠিত মুখ্য সচিবসকলক তৃতীয় সন্মিলনত নদী উৎসৱৰ লেখিয়াকৈ জল উৎসৱ উদযাপনৰ বাবে আগবঢ়োৱা প্ৰস্তাৱ অনুসৰি এই অভিযানৰ আয়োজন কৰা হৈছে। নীতি আয়োগে এটা বিবৃতিযোগে কৈছে যে দেশৰ ২০ খন অভিলাসী জিলা আৰু বিভিন্ন উন্নয়ন খণ্ডত আজিৰেপৰা ২৪ নৱেম্বৰলৈ ৰাষ্ট্ৰীয় জল জীৱন মিছন, খোৱাপানী আৰু অনাময় বিভাগ আৰু জলশক্তি মন্ত্ৰালয়ৰ সহযোগিতাত এই অভিযানৰ আয়োজন কৰা হৈছে। দেশৰ মুঠ ২০ খন ৰাজ্যত আৰম্ভ হোৱা এই অভিযানৰ জৰিয়তে জল সংৰক্ষণ আৰু জল সম্পদৰ

সুৰক্ষাৰ ক্ষেত্ৰত সমূহীয়া অংশগ্ৰহণ সুনিশ্চিত কৰিব বিচৰা হৈছে। জল ব্যৱস্থাপনা কাৰ্যকলাপত পৰিয়াল তথা সম্প্ৰদায়ৰ ভিতৰত পৰিৱৰ্তনৰ অনুঘটক হিচাপে কাম কৰিবলৈ এই অভিযানে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক নিয়োগ কৰিছে।

০০০০০০

জম্মু আৰু কাশ্মীৰ বিধানসভাত কেন্দ্ৰীয় শাসিত অঞ্চলটোক বিশেষ মৰ্যাদা আৰু সাংবিধানিক নিশ্চয়তা প্ৰদানৰ আহ্বানেৰে আজি এটা প্ৰস্তাৱ গৃহীত হয়। আজি পুৱা সদন মিলিত হোৱাৰ সময়ত উপ-মুখ্যমন্ত্ৰী সুৰেন্দৰ কুমাৰ চৌধাৰীয়ে জম্মু আৰু কাশ্মীৰক বিশেষ মৰ্যাদা আৰু সাংবিধানিক নিশ্চয়তা প্ৰদানৰ বিষয়টোত গুৰুত্ব আৰোপ কৰাৰ উদ্দেশ্যে এই প্ৰস্তাৱটো উত্থাপন কৰে। ইয়াৰ জৰিয়তে জম্মু আৰু কাশ্মীৰৰ পৰিচয় তথা সংস্কৃতি আৰু অধিকাৰক সুৰক্ষিত কৰিবলৈ বিচৰা হৈছে। এই প্ৰস্তাৱটোত সংশ্লিষ্ট বিষয়টোক লৈ নিৰ্বাচিত জন প্ৰতিনিধিসকলৰ সৈতে আলোচনা কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনাবলৈ বিচৰা হয়।

বিষয়টো উত্থাপন কৰাৰ পাছত বিৰোধী পক্ষৰ সদস্যসকলে ইয়াৰ বিৰুদ্ধে মত পোষণ কৰে যদিও পাছত প্ৰস্তাৱটো সদনত মৌখিক ভোটত গৃহীত হয়। উল্লেখযোগ্য যে সংসদত গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি জম্মু আৰু কাশ্মীৰক বিশেষ মৰ্যাদা প্ৰদান কৰা সংবিধানৰ ৩৭০ নম্বৰ অনুচ্ছেদটো ২০১৯ চনৰ ৫ আগষ্টত বাতিল কৰা হৈছিল।

০০০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম আৰু মেঘালয়কে ধৰি দেশৰ উত্তৰ-পূৰ্বাঞ্চলৰ লগতে আন ভালেমান ঠাইত আজি কম-বেছি পৰিমাণে বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। বিভাগটোৱে প্ৰকাশ কৰা আগজাননী অনুসৰি অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, তামিলনাডু, পুডুচেৰী আৰু কাৰাইকালৰ কোনো কোনো ঠাইত বিজুলী আৰু ঢেৰেকনিৰে বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জত আজিৰ দিনটোত ধাৰাসাৰ বৰষুণ হ'ব বুলিও এই আগজাননীত কোৱা হৈছে। আনহাতে, বিভাগটোৱে লগতে প্ৰকাশ কৰা মতে দিল্লী আৰু ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চলত পৰৱৰ্তী দুই-তিনিদিনলৈ পুৱাৰ ভাগত কুঁৱলী পৰাৰ সম্ভাৱনা আছে।

০০০০০০০০০

মধ্য প্ৰদেশৰ বান্ধৱগড় সংৰক্ষিত ব্যাঘ্ৰ প্ৰকল্পত মৃত্যুমুখত পৰা হাতীবোৰৰ দেহত চাইক্ল'পিয়াজনিক এচিডৰ অৱস্থিতি ধৰা পৰিছে। প্ৰকাশিত বাতৰি অনুসৰি এই হাতীবোৰে বৃহৎ পৰিমাণৰ নষ্ট হোৱা কোডো গছ ভক্ষণ কৰিছিল। ৰাজ্যখনৰ অতিৰিক্ত প্ৰধান মুখ্য বন সংৰক্ষক এল কৃষ্ণমূৰ্তিয়ে জানিবলৈ দিয়া মতে এইবিধ উদ্ভিদ নষ্ট হোৱা স্থানত পশুধনক চৰাবলৈ নিয়াৰ পৰা বিৰত থকাকে ধৰি বিষয়টোক লৈ বনাঞ্চলৰ কাষৰীয়া এলেকাসমূহত সজাগতা সৃষ্টিৰ ব্যৱস্থা কৰা হৈছে। উল্লেখযোগ্য যে বান্ধৱগড় সংৰক্ষিত ব্যাঘ্ৰ প্ৰকল্পত শেহতীয়াকৈ ৰহস্যজনক পৰিস্থিতিত ১০ টা বনৰীয়া হাতী মৃত্যুমুখত পৰিছিল।

০০০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে দেশখনৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত শেহতীয়া ফলাফল অনুসৰি ২৬৭ টা ইলেক্টৰেল ভোটেৰে অগ্ৰগতি লাভ কৰিছে। ৰিপাব্লিকান দলৰ প্ৰাৰ্থী ট্ৰাম্পৰ বিৰুদ্ধে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা ডেম'ক্ৰেটিক দলৰ কমলা হেৰিছে বৰ্তমানলৈ ২২৪ টা ইলেক্টৰেল ভোট লাভ

কৰিছে। উল্লেখযোগ্য যে দেশখনৰ ৰাষ্ট্ৰপতি পদত নিৰ্বাচিত হ'বলৈ এজন প্ৰাৰ্থীয়ে সৰ্বমুঠ ৫৩৮ টা ইলেক্টৰেল ভোটৰ ২৭০ টা ভোট লাভ কৰিব লাগিব।

oooooooo

লোক সংগীতৰ জনপ্ৰিয় গায়িকা সাৰদা সিনহাৰ অন্ত্যেষ্টিক্ৰিয়া কাইলৈ বিহাৰৰ পাটনাত সম্পূৰ্ণ চৰকাৰী মৰ্যাদাৰে সম্পন্ন কৰা হ'ব। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে আজি এই কথা প্ৰকাশ কৰে।

যোৱা নিশা নতুন দিল্লীৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানত ৭২ বছৰ বয়সত দেহাৰসান ঘটা শিল্পীগৰাকীৰ নশ্বৰ দেহ আজি পাটনালৈ অনাৰ ব্যৱস্থা কৰা হৈছে। প্ৰসিদ্ধ শিল্পীগৰাকীৰ পুত্ৰ, লোকসংগীতৰ গায়ক অংশুমান সিন্‌হাই জানিবলৈ দিয়া মতে গংগা নৈৰ পাৰৰ গুলাবী ঘাটত কাইলৈ তেওঁৰ মাতৃৰ শেষকৃত্য সম্পন্ন কৰা হ'ব। উল্লেখযোগ্য যে ভোজপুৰী আৰু মৈঠেলী লোক সংগীতৰ বাবে সাৰদা সিনহাক পদ্মশ্ৰী, পদ্মভূষণ আৰু সংগীত নাটক একাডেমী বঁটাৰে সন্মানিত কৰা হৈছিল। ২০১৮ বৰ্ষত গায়িকাগৰাকীক কলাৰ ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে পদ্মভূষণ সন্মানেৰে বিভূষিত কৰা হৈছিল।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে গায়ীকাগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে সামাজিক মাধ্যমযোগে কৈছে যে, বিহাৰৰ কোকিলাৰূপে পৰিচিত সাৰদা সিনহাই মৈঠেলী আৰু ভোজপুৰী ভাষাৰ লোকগীতত কণ্ঠদান কৰি সংগীতৰ জগতত অপাৰ জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সমৰ্থ হৈছিল। প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে কৈছে যে, তেওঁ গোৱা মৈঠেলী আৰু ভোজপুৰী ভাষাৰ গানসমূহ বিগত কেইবা দশক ধৰি জনপ্ৰিয় হৈ আছে। প্ৰধানমন্ত্ৰীয়ে তেওঁৰ মৃত্যুক সংগীত জগতৰ বাবে অপূৰণীয় ক্ষতি বুলি অভিহিত কৰিছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সামাজিক মাধ্যমৰ এটা পোষ্ট যোগে সুমধুৰ কণ্ঠৰে পাঁচ দশকৰো অধিক সময় ধৰি ভাৰতীয় সংগীতৰ উত্থানৰ হকে চলোৱা প্ৰচেষ্টাৰ বাবে গায়িকাগৰাকীক ভূয়সী প্ৰশংসা কৰিছে। তেওঁ কয় যে, বিহাৰৰ কোকিলা ৰূপে জনাজাত সাৰদা সিনহাই মৈঠেলী আৰু ভোজপুৰী লোক সংগীতক জনপ্ৰিয় কৰি তুলিছে।

উল্লেখযোগ্য যে জনপ্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদনৰ উদ্দেশ্যে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা কাইলৈ পাটনাত উপস্থিত হ'ব।

ooooooooo

ইণ্ডিয়ান প্ৰীমিয়াৰ লীগ, আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ২০২৫ বৰ্ষৰ সংস্কৰণৰ বাবে অহা ২৪ আৰু ২৫ নৱেম্বৰক চৌডি আৰবত নীলাম প্ৰক্ৰিয়া অনুষ্ঠিত হ'ব। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বি চি চি আয়ে কালি এই কথা সদৰি কৰে। এইবাৰ একেৰাহে দ্বিতীয়বাৰৰ বাবে আই পি এলৰ নীলাম বিদেশত অনুষ্ঠিত হ'ব। ২০২৪ বছৰৰ আই পি এলৰ নীলাম ডুবাইত অনুষ্ঠিত হৈছিল।

এইবাৰ এহেজাৰ ১৬৫ গৰাকী ভাৰতীয় আৰু ৪০৯ গৰাকী বিদেশী খেলুৱৈ সহ মুঠ এহেজাৰ ৫৭৪ গৰাকী খেলুৱৈয়ে নীলামৰ বাবে সন্মতি প্ৰকাশ কৰিছে। প্ৰতিটো দলত ৰিটেন কৰা খেলুৱৈ সহ সৰ্বাধিক ২৫ গৰাকী খেলুৱৈক চুক্তিবদ্ধ কৰিব পৰা যাব। নীলামৰ বাবে মুঠ ২০৪টা শ্লট উপলব্ধ হ'ব।

ooooooooo

সমাপ্ত